# প্ৰথম ছুৰা

১। আকাশবোৰ আৰু মাটি আল্লাহৰ আৰু সকলো বস্তু আল্লাহৰ নিয়ন্ত্ৰনত আছে।

২। আকাশবোৰ আৰু মাটি সৃষ্টি কৰাত আৰু ৰাতি দিন হোৱাত জ্ঞানী লোক সকলৰ বাবে চিহ্ন আছে।

৩। যি সকল লোক উঠোতে, বহতে আৰু শুবতে আল্লাহক স্মৰণ কৰে তেওঁলোক আকাশবোৰ আৰু মাটি সৃষ্টি কৰাৰ বিষয়ে ভবা চিন্তা কৰে (তেওঁলোকে কয়) হে আমাৰ প্ৰভু তুমি এইবোৰ এনেই সৃষ্টি কৰা নাই কাৰণ তোমাৰ অতি পৱিত্ৰ গতিকে আমাক দোজখৰ জুইৰ পৰা ৰক্ষা কৰা।

# দ্বিতীয় ছুৰা

১। তোমাৰ প্ৰভুৰ পথলৈ বুদ্ধি আৰু ভাল উপদেশেৰে আহ্বান কৰা আৰু তেওঁলোকৰ লগত উত্তম পদ্ধতিৰে যুক্তি তৰ্ক কৰা, নিশ্চয় তোমাৰ প্ৰভু ভালদৰে জানে যে কোন তেওঁৰ পথৰ পৰা বিভ্ৰান্ত হৈছে আৰু তেওঁ ভাদৰে জানে যে কোন সৎ পথত আছে।

২। আৰু যদি তোমালোকে শাস্তি দিব খোজা তেন্তে সিমানেই শাস্তি দিবা যিমান শাস্তি তোমাক দিয়া হৈছিল। আৰু যদি তোমালোকে ধৈৰ্য্য ধৰা তেতিয়াহলে ধৈৰ্য্য ধৰা সকলৰ বাবে সেইটোৱে হৈছে মঙ্গলময়।

৩। তুমি ধৈৰ্য্য ধৰা আৰু তোমাৰ ধৈৰ্য্য কেৱল মাত্ৰ আল্লাহৰ বাবে হোৱা উচিত। আৰু সিহঁতৰ প্ৰতি তুমি দুঃখিত নহবা আৰু তেওঁলোকৰ ষড়যন্ত্ৰৰ বাবে তুমি সংকুচিত নহবা।

৪। নিশ্চয় আল্লাহ তা'লা সেই সকলৰ লগত আছে যি সকলে আল্লাহক ভয় কৰে আৰু তেওঁলোক হৈছে সৎলোক।

# তৃতীয় ছুৰা

১। আৰু তোমালোকে নিজৰ সন্তানক খাদ্য যোগানৰ ভয়ত হত্যা নকৰিবা। নিশ্চয় আমি তেওঁলোকক আৰু তোমালোকক খাদ্য প্ৰদান কৰিম কিয়নো তেওঁলোকক হত্যা কৰাটো হৈছে এটা ডাঙৰ পাপ।

২। তোমালোক কুকৰ্মৰ ওচৰলৈ নাযাবা কাৰণ ই হৈছে অতি লজ্জা জনক আৰু বেয়া পন্থা।

৩। আৰু তোমালোকে আল্লাহে নিষিদ্ধ কৰা কোনো এটা প্ৰাণী হত্যা নকৰিবা কিন্তু বৈধ ভাবে আৰু যিজনক অত্যাচাৰিত ভাবে হত্যা কৰা হৈছে তাৰ মালিকক আমি কৰতৃত্ব প্ৰদান কৰো, তেওঁ যেন হত্যা কৰোতে অতি কঠোৰ নহয়। নিশ্চয় তাক সহায় কৰা হ'ব।

৪। তোমালোক অনাথৰ ধনৰ ওচৰলৈ নাযাবা কিন্তু সৎ মনভাবেৰে সি ডাঙৰ নোহোৱালৈকে আৰু তোমালোকে প্ৰতিশ্ৰুতি পূৰণ কৰা কাৰণ প্ৰতিশ্ৰুতিৰ কথা প্ৰশ্ন কৰা হ'ব।

# চতুৰ্থ ছুৰা

১। লুকমানে যেতিয়া তাৰ পুত্ৰক কৈছিল উপদেশ দিয়া অৱস্থাত হে মোৰ বোপাই তুমি আল্লাহৰ লগত কাকো সংগী নবনাবা কাৰণ সংগী বনোৱা কাৰ্য্যটো হৈছে ডাঙৰ অত্যাচাৰ।

২। আমি মানুহক আদেশ দিছো মা দেউতাকৰ লগত ভাল ব্যৱহাৰ কৰিবলৈ যি মাকে তাক বহন কৰিছে অতি কষ্টৰে আৰু দুবছৰৰ পিছত গাখীৰ পাণ কৰোৱা বন্ধ কৰিছে গতিকে তেওঁ মোক আৰু মা দেউতাকক ধন্যবাদ জনাব লাগে অৱশেষত মোৰ ওচৰত আহিব লাগিব।

৩। আৰু তেওঁলোকে যদি মোৰ লগত সংগী বনাবলৈ তোমাক বাধ্য কৰাৰ চেষ্টা কৰে যাৰ বিষয়ে তোমাৰ জ্ঞান নাই তেতিয়াহতে তুমি তেওঁলোকৰ কথা নশুনিবা আৰু তেওঁলোকৰ লগত পৃথিবীত ভাল ব্যৱহাৰ কৰিবা আৰু যি সকলে মোলৈ অনুতাপি হয় তেওঁলোকৰ পথ অনুসৰণ কৰিবা তাৰ পিছত তোমালোকে মোৰ ওচৰত আহিব লাগিব তেতিয়া মই তোমালোকক তোমালোকে কৰা কৰ্ম সমূহ জনাই দিম।